অসম

# কাজিৰঙা দুর্ঘটনাৰ ৭জন আহতৰ অৱস্থা সংকটজনক, ৫জন ভেণ্টিলেটৰত

কাজিৰঙাৰ ৰঙাজানৰ পথ দুর্ঘটনাত আহত ১৭জনৰ ভিতৰত ৭জন যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ আই চি ইউত চিকিৎসাধীন। ইয়াৰে ৫জনক ভেণ্টিলেটৰত ৰখা হৈছে।

প্ৰকাশ: ১৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩০



যোৰহাট, ১৪ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত সংঘটিত পথ দুর্ঘটনাত আহতসকলৰ ভিতৰত ৭জনৰ অৱস্থা এতিয়াও সংকটজনক। যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ আই চি ইউত চিকিৎসাধীন এই ৭জনৰ ভিতৰত ৫জনক যান্ত্ৰিক ভেণ্টিলেটৰৰ সহায়ত ৰখা হৈছে।

যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ মানৱজ্যোতি গোহাঁয়ে শনিবাৰে জনোৱা মতে, দুর্ঘটনাৰ পাছত মুঠ ২০জন আহতক চিকিৎসালয়খনলৈ অনা হৈছিল। ইয়াৰে তিনিজনে চিকিৎসাধীন অৱস্থাত প্ৰাণ হেৰুৱাইছে। বর্তমান ১৭জন চিকিৎসাধীন হৈ আছে।

চিকিৎসাধীন ১৭জনৰ ভিতৰত ৭জন আই চি ইউত আছে আৰু তেওঁলোকৰ অৱস্থা অতি সংকটজনক। আন ১০জনক সাধাৰণ ৱার্ডত চিকিৎসা প্ৰদান কৰি থকা হৈছে।

শনিবাৰে পুৱাই গুৱাহাটীৰ পৰা হৃদযন্ত্ৰ আৰু বক্ষ শল্যচিকিৎসা বিভাগৰ লগতে স্নায়ু শল্যচিকিৎসা বিভাগৰ বিশেষজ্ঞ চিকিৎসকৰ এটা দল যোৰহাট চিকিৎসা মহাবিদ্যালয়ত উপস্থিত হয়। দলটোৱে আটাইকেইজন ৰোগীৰ

স্বাস্থ্য পৰীক্ষা কৰে।

অধীক্ষকগৰাকীয়ে জনোৱা মতে, গুৱাহাটীৰ পৰা অহা বিশেষজ্ঞ চিকিৎসকৰ দলটোৱে যোৰহাট চিকিৎসা মহাবিদ্যালয়ত প্রদান কৰা চিকিৎসা ব্যৱস্থাক লৈ সন্তুষ্টি প্রকাশ কৰিছে। মগজুত ৰক্তক্ষৰণ হোৱা ৰোগীসকলৰ বর্তমান অস্ত্রোপচাৰৰ প্রয়োজন হোৱা নাই যদিও তেওঁলোকক নিবিড় পর্যবেক্ষণত ৰখা হৈছে।

প্রয়োজন হ'লে অস্ত্রোপচাৰৰ ব্যৱস্থা কৰিবলৈ চিকিৎসালয়খন সাজু আছে বুলি ডাঃ গোহাঁয়ে জানিবলৈ দিয়ে। ১৩ নৱেম্বৰত দুজন আৰু শনিবাৰে পুৱা আন এজন আহতই চিকিৎসাধীন অৱস্থাত প্রাণ হেৰুৱায়। ফলত যোৰহাট চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হোৱা আহতৰ সংখ্যা তিনিজনলৈ বৃদ্ধি পাইছে।

ইফালে, এই দুর্ঘটনাত ২৬জন লোকৰ মৃত্যুৰ ঘটনাত শোক প্রকাশ কৰি শনিবাৰে নগাঁও ট্রেভেলাৰ ইউনিয়নে এদিনৰ বাবে সেৱা বন্ধ ৰাখে। এম পি ট্রেভেলছৰ সৈতে জড়িত আব্দুল মজিদ আৰু প্রতিষ্ঠানটোৰ হেণ্ডিমেন সুভাষ দাসৰ মৃত্যুত শোক প্রকাশ কৰিও সংগঠনটোৱে এই সিদ্ধান্ত গ্রহণ কৰে।

---

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3037/kajinga-dughtna-sngktjnk-aht-zohat